# পৰিচৰ্য্যা কাৰ্য্যৰ বাবে পাঁচনিবিলাকৰ কৰ্ম্ম, নিৰ্দেশনাসমূহ

## ল'ৰা-ছোৱালীবিলাকক শিকোৱাসকলে A1b অধ্যয়ন পঢ়া উচিত

**প্ৰাৰ্থনা ঃ** "প্ৰভূ, তুমি পাচনিকৰ্ম্ম ১ঃ৮ পদত প্ৰতিজ্ঞা কৰা পবিত্ৰ আত্মাৰ শক্তি যীচুৰ সাক্ষ্য হবলৈ আমাক দিয়ক।

**১। আপোনাৰ হৃদয় আৰু মন প্ৰভুৰ বাক্যৰে যুগুত কৰক।**

লূক, যিজনে এখন শুভবাৰ্ত্তাও লিখিছিল, তেওঁ যিৰূচালেমত কেনেকৈ মণ্ডলী আৰম্ভ হৈছিল আৰু যিহুদী আৰু পৰজাতিবিলাকৰ মাজত ৰোমীয়া সাম্ৰাজ্যৰ পৰা আৰম্ভ কৰি এচিয়া, আফ্ৰিকা আৰু ইউৰোপত বিয়পি গৈছিল, সেই বিষয়ে পাঁচনিৰ কৰ্ম্মত লিপিবদ্ধ কৰিছে।




**পাঁচনিৰকৰ্ম্ম ১ অধ্যায় পঢ়ক।** ১ঃ৮ পদত ঈশ্বৰৰ ৰাজ্য বিস্তাৰ কৰিবলৈ আমাৰ শক্তিৰ উৎসৰ বিষয়ে চাওঁক।

**পাঁচনিৰকৰ্ম্ম ১ঃ৮ পদত** তেওলোকে পবিত্ৰ আত্মাৰ শক্তিৰে যীচুৰ বিষয়ে ঘোষনা কৰা চাৰিখন ঠাই চাওঁক।

১। যিৰূচালেমখন আমি বাস কৰা সমাজখনৰ অনুৰূপ। তোমাৰ "যিৰূচালেমখন" কি?

২। যিহূদিয়া ওচৰৰে সেই একে সংস্কৃতিৰ মানুহবিলাকক বুজাইছে। তোমাৰ যিহূদিয়া ক'ত?

৩। চমৰিয়া মানে একে সংস্কৃতিৰ ওচৰৰে মানুহবোৰ ! তোমাৰ "চমৰীয়াবোৰ" কোন?

৪। পৃথিৱীৰ সীমালৈকে মানে অৱহেলিত, আঁতৰত থকা মানুহবোৰ, যিবিলাকৰ ওচৰলৈ আপুনি যোৱাতো ঈশ্বৰে বিচাৰে।

**পাঁচনিৰকৰ্ম্ম ১ঃ১৪ পদত** যীচুৱে প্ৰতিজ্ঞা কৰা পবিত্ৰ আত্মাৰ কাৰণে অপেক্ষা কৰি থকা সময়ত পাঁচনিবিলাকে কি কৰিছিল চাওঁক।

**পাঁচনিৰকৰ্ম্ম ২ অধ্যায়টো পঢ়ক।** অপেক্ষাত থকা শিষ্যসকল পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱাৰ পিচত কি ঘটিছিল চাওঁক। পবিত্ৰ আত্মাই তেওঁলোকক কেৱল মাত্ৰ এটি উত্তেজক অভিজ্ঞতাৰ কাৰণে নে তেওঁলোকক সাক্ষ্যৰ অৰ্থে পৰিপূৰ্ণ কৰিছিল ?

- **পাঁচনিৰকৰ্ম্ম ২ঃ২৪-৩২**

- **পাঁচনিৰকৰ্ম্ম ২ঃ৩৭-৪৭** পদত যীচুৰ আজ্ঞাৰ বাধ্যতাস্বৰূপে বিশ্বাসীসকলে তেতিয়াই লগে লগে কি সাতোটা কাম কৰিছিল, চাওঁক।

**পাঁচনিৰকৰ্ম্মৰ আন অধ্যায়বোৰত চাওঁক ঃ**

**৩ অধ্যায়** ঃ আমি যীচুৰ নামত ঈশ্বৰক মাতিলে আমাৰ বাবে কি কৰিব বুলি আশা কৰিব পাৰোঁ।

**৪ অধ্যায়** ঃ বিৰোধী কৰ্ত্তৃপক্ষই যেতিয়া আমাক ভাবুকি দিয়ে তেতিয়া আমি কি কৰিব পাৰোঁ।

**৫ অধ্যায়** ঃ তেওঁক মিছা কথা কোৱা লোকবিলাকক ঈশ্বৰে কি কৰিছিল।

**৬ অধ্যায়** ঃ খ্ৰীষ্টত বিশ্বাসী সমাজে অভাৱত থকা লোকবিলাকৰ কি যত্ন লৈছিল।

**৭ অধ্যায়** ঃ কেনেকৈ স্তিফান চলাওঁতাবিলাকক খং উঠাই ইস্ৰায়েলৰ ইতিহাসৰ পৰ্য্যালোচনা কৰিছিল। আৰু তেওঁলোকে তেওঁক কি কৰিলে।

**৮ অধ্যায়** ঃ ফিলিপে কেনেকৈ চমৰীয়াত ঈশ্বৰৰ কাৰ্য্য আৰম্ভ কৰিছিল আৰু চিমোন কিয় পাঁচনিবিলাকক ধন যাঁচিছিল।

**৯ অধ্যায়** ঃ ঈশ্বৰে কেনেকৈ খ্ৰীষ্টিয়ানৰ জঘন্য মানৰ শত্ৰুক মন পালটন কৰিবলৈ সমৰ্থ কৰাইছিল।

**১০-১১ অধ্যায়** ঃ ঈশ্বৰে কেনেকৈ বিশ্বাসী যিহুদীবিলাকক, পৰজাতিবিলাকেও যে তেওঁৰ পবিত্ৰ আত্মা লাভ কৰিছিল, সেই বিষয়ে পতিয়ন নিয়াইছিল।

**১২ অধ্যায়** ঃ হেৰোদ ৰজাই যাকোবক কি কৰিছিল আৰু হেৰোদৰ পৰা পিতৰে কেনেকৈ পলাই গৈছিল।

**১৩-১৪ অধ্যায়** ঃ পৌলক কোন দূৰ ঠাইলৈ পঠাইছিল, কোন তেওঁৰ লগত গৈছিল আৰু কেনেকৈ বিশ্বাসীবিলাকক তেওঁলোকে সংগঠিত কৰিছিল।

**১৫ অধ্যায়** ঃ ঈশ্বৰে কেনেকৈ পুৰণি যিহুদী নিয়ম মানি নচলা পৰজাতি বিশ্বাসী বিলাকক যিহুদীবিলাকে গ্ৰহণ কৰাত সহায় কৰিছিল।

**১৬ অধ্যায়** ঃ কেনেকৈ ইউৰোপৰ ফিলিপীত প্ৰথম মণ্ডলী আৰম্ভ হৈছিল আৰু পৌলে ফাটেকৰ দাৰোগাক কি প্ৰতিজ্ঞা কৰিছিল।

**১৭ অধ্যায়** ঃ যিহুদীবিলাকে পৌলৰ শুভবাৰ্ত্তা পোৱাৰ বিভিন্ন উপায়বোৰ।

**১৮ অধ্যায়** ঃ পৌলে কেনেকৈ কৰিন্থ নগৰত নিজৰ ব্যৱস্থা কৰি লৈছিল, আৰু তেওঁৰ কৰ্ম্মীবিলাকে আপল্লোৰ কাৰণে কি কৰিছিল।

**১৯-২০ অধ্যায়** ঃ ইফিচত হোৱা অনেকবোৰ ঘটনা, কিহৰ বাবে গণ্ডগোল হৈছিল, আৰু "ৰাংকুকুৰবোৰৰ" বিষয়ে তেওঁ কি সাৱধান কৰি দিছিল ?

**২১-২৮ অধ্যায়** ঃ পৌলে কিয় যিৰূচালেমত বন্দী হবলগা হৈছিল, তেওঁৰ বিচাৰ আৰু ৰোমলৈ যোৱা পথত কি ঘটিছিল।

২। **পিচৰ সপ্তাহত পাঁচনিবিলাকৰ উদাহৰণ মানি চলিবলৈ আপোনাৰ লোবিলাকে কি কৰিব আঁচনি কৰক।**

- বিশ্বাসীবিলাকে খ্ৰীষ্টক নজনা লোকবিলাকৰ ওচৰত তেওঁৰ সাক্ষ্য দিবলৈ যাবৰ বাবে ব্যৱস্থা কৰক।
- তেওঁবিলাকে এই কামতো পাঁচনিবিলাকে কৰাৰ নিচিনাকৈ প্ৰাৰ্থনাৰে আৰু পবিত্ৰ আত্মাৰ শক্তিত কৰিবৰ বাবে সহায়ৰ আঁচনি কৰক।
- আপোনাৰ "যিহূদিয়া" "চমৰীয়া" আৰু "যিৰূচালেমত" কাৰ্য্য কৰিবৰ বাবে দীৰ্ঘম্যাদি আঁচনি লওঁক।

৩। **সহকৰ্ম্মীসকলৰ লগত হ'বলগীয়া উপাসনাৰ আঁচনি কৰক।**

বৰ্ত্তমানৰ প্ৰয়োজন আৰু স্থানীয় নিয়ম-নীতি অনুসৰি কামবোৰ নিৰ্ব্বাচন কৰক।

সাক্ষ্য দিবলৈ যুগুত হওঁক। উপাসনাৰ সময়ত শক্তিৰে সৈতে যীচুৰ বিষয়ে সাক্ষ্য দিবলৈ বিশ্বাসীসকলক যুগুত কৰি লওঁক। আপুনি বা আপোনাৰ সহায়কৰ্ত্তাই পাঁচনিকৰ্ম্ম ১ঃ৮ পদটো পঢ়ি দিওঁতে তেওঁলোকক দুটা বিষয়লৈ মন দিবলৈ দিয়ক ঃ

- প্ৰথমতে পুনৰুত্থিত খ্ৰীষ্টৰ বিষয়ে আনৰ আগত কবলৈ আমি কাৰ পৰা শক্তি পাওঁ ?

- দ্বিতীয়তে ঃ কোন চাৰিখন ঠাইলৈ পাঁচনিবিলাকে পবিত্ৰ আত্মাৰ শক্তিৰে শক্তিমন্ত হৈ সাক্ষ্য দিবলৈ গৈছিল?
- পঢ়ি দিয়াৰ পাচত, প্ৰশ্ন দুটাৰ উত্তৰ দিবলৈ আৰু যদি পাৰে সেই বিষয়ে কবলৈ দিয়ক।

আমাৰ কাৰণে কোনবোৰ ঠাই সেই চাৰিখন ঠাই য'ত পাঁচনিবিলাকে যীচুৰ বিষয়ে সাক্ষ্য দিছিল, তাৰ লগত মিল আছে সোধক। (উত্তৰবোৰ ওপৰৰ ১ ভাগত আছে) পিচত আপোনাৰ "যিহূদিয়া" আৰু "চমৰীয়াত" থকা মানুহবিলাক, যিবিলাকে যীচুৰ বিষয়ে নাজানে তেওঁলোকৰ কাৰণে প্ৰাৰ্থনা কৰক।

ল'ৰা-ছোৱালীবিলাকে প্ৰস্তুত কৰা নাটক, কবিতা আৰু প্ৰশ্নবিলাক আগবঢ়াব দিয়ক।

**পাঁচনিৰকৰ্ম্ম ১ঃ৮** পদটো একেলগে মুখস্থ কৰক।

সপ্তাহটোৰ ভিতৰত আপুনি আপোনাৰ সহকৰ্ম্মীসকলৰ লগত মানুহবিলাকৰ ওচৰলৈ যীচুৰ বিষয়ে কবলৈ যোৱাৰ বিষয়ে যি আঁচনি লৈছে, সেই বিষয়ে বুজাই দিয়ক। এই কামৰ বাবে ভালকৈ যুগুতাই লওঁক। তেওঁলোকে কাৰ ওচৰলৈ যাব সেই বিষয়ে বিশ্বাসীসকলক কবলৈ দিয়ক।

নতুন শিষ্যসকলক যীচুৰ প্ৰাথমিক আজ্ঞাবোৰ পালন কৰাত সহায় কৰিবলৈ প্ৰস্তুত হওঁক। আপুনি বা আপোনাৰ সহায়জনে পাঁচনিৰ কৰ্ম্ম ১ঃ৩৭-৪৭ পদলৈকে পাঠ কৰাৰ আগতে বিশ্বাসীসকলক যিহ্বচালেমত ৩,০০০ দীক্ষিতে যীচুৰ আজ্ঞাবোৰ মানি চলিবলৈ কি কৰিছিল সেই বিষয়ে কান দিবলৈ কওঁক। পঞ্চাশদিনীয়া পৰ্ব্বৰ পাচত যীচুক মানি চলিবলৈ নতুন বিশ্বাসীবিলাকে কৰা সাতোটা কামৰ বিষয়ে আপোনাৰ সহায়কসকলে বিনা বাক্যে প্ৰদৰ্শন কৰিব সেই বিষয়ে বুজাই দিয়ক। সেইবিষয়ে কেইটা কি হয় তাক বিশ্বাসীসকলক অনুমান কৰিব দিয়ক।

১। **মন-পালটন !** কথা নোকোৱাকৈ মন পালটন কৰা দেখুৱাবলৈ দুজন সহায়কাৰী প্ৰস্তুত কৰি লওঁক।

- কোঠাটোৰ এফালে, প্ৰথমজনে চয়তানৰ নিচিনাকৈ মুখ-ভেভুচায় আৰু আনজনক তেওঁৰ ওচৰলৈ আহিবৰ বাবে হাত কেইখন লৰচৰ কৰে।
- আনজনে ইফালে-সিফালে চাই, যেন তেওঁক কোনোবাই দেখিছে বুলি ভয় কৰাৰ নিচিনাকে লাহেকৈ তেওঁৰ ফালে আগবাঢ়ি যায়। যেতিয়া তেওঁ প্ৰায় থমকিছে, তেতিয়া তেওঁ তেওঁৰ হৃদয়ত বৈতহিখন ৰাখিছে আৰু ক্ষন্তেকৰ বাবে প্ৰাৰ্থনা কৰাৰ ভঙ্গী কৰিছে। তাৰ পিচত তেওঁ ঘুৰি অন্যফালেদি গুছি গৈছে।
- তেওঁ কি কৰি দেখুৱালে মানুহবিলাকক সোধক। অনুতাপ মানে হৈছে, আমাৰ হৃদয় সলনি হোৱা আৰু পাপৰ ফালে নহয়, কিন্তু অন্য ফালেদি ঘুৰি যোৱা।

২। **বাপ্তিস্ম !** এজনে আনজনক বাপ্তিস্ম দিয়াৰ দৰে কৰি দেখুৱায়, (মানুহবিলাকক অনুমান কৰিবলৈ দিয়ক)।

৩। **ঈশ্বৰৰ বাক্য শিকা আৰু শিকোৱা !** এজনে বাইবেলখন আটায়ে দেখা পোৱাকৈ চিধাকৈ ধৰি আন এজনক যেন কিবা বুজাইছে সেইদৰে পৃষ্ঠাত থকা বাক্যবোৰলৈ আঙুলিয়াই থাকে। (মানুহবিলাকক অনুমান কৰিব দিয়ক)।

৪। **সহভাগিতা** (ইজনে সিজনক প্ৰেম কৰা) এজনে একে লিঙ্গৰ আন এজনক সাৱটি ধৰিছে বা আপোনাৰ সংস্কৃতিত এজন খ্ৰীষ্টিয়ানে আন এজনক প্ৰেম কৰা দেখুৱাবলৈ যি কৰে তাকেই কৰিছে। (মানুহবিলাকক অনুমান কৰিব দিয়ক)

৫। **পিঠা ভঙা** (প্ৰভুৰ ভোজ) এজন সহায়কে আন এজনক ৰুটি তাৰ পাচত পান-পাত্ৰ দিয়াৰ নিচিনা কৰে। আনজনে ৰুটিটো খোৱা আৰু পান-পাত্ৰ পান কৰা ভাও কৰে। (মানুহবিলাকক অনুমান কৰিব কয়)

৬। **প্ৰাৰ্থনা;** দুয়োজন সহায়কাৰীয়ে প্ৰাৰ্থনা মনে মনে কৰাৰ ভাওঁ লয়। (মানুহবোৰক অনুমান কৰিব কয়)।

৭। **দিয়া।** এজন সহায়কে আনজনক কিবা এটা দিয়া নিচিনা কৰে যিজনে কোনো কথা নোকোৱাকৈ তেওঁ যেন অতি কৃতজ্ঞ তেনেদৰে কৰে। (মানুহবিলাকক অনুমান কৰিব কয়)

**পাঁচনিবিলাকে** কি কৰিছিল বুজাই দিয়ক। পাঁচনিকৰ্ম্মত আপুনি পঢ়া এটা বা তাতোকৈ বেছি ঘটনাবোৰ বাছি লওঁক আৰু আপোনাৰ উপাসকসকলৰ বাবে গল্পটো কওঁক বা নাটক কৰি দেখুউৱাক। যদি বয়সীয়া আৰু ল'ৰা-ছোৱালীবিলাকে নাটক কৰিবলৈ সহায় কৰে তেনেহলে বেছি ভাল হয়। তাৰ পিচত বিশ্বাসীসকলে ইয়াৰ পৰা কি শিকিলে সোধক। ইয়াৰ ফলস্বৰূপে তেওঁলোকে কি কৰিবলৈ আঁচনি লব সোধক।

**প্ৰভুৰ ভোজ পৰিচয় কৰাই দিবলৈ পাঁচনিৰকৰ্ম্ম ২০ঃ৭ পদটি পঢ়ক।** পাঁচনিৰকৰ্ম্ম বিশ্বাসীসকলে প্ৰভূৰ ভোজ পালন কৰিবৰ অৰ্থে সপ্তাহৰ প্ৰথম দিনা, যিদিনা যীচু পুনৰুত্থিত হৈছিল, সেইদিনা যে গোট খাইছিল সেইটো বুজাই দিয়ক।

দুই বা তিনিজনীয়া দলত ইজনে-সিজনৰ বা প্ৰাৰ্থনা আৰু সহায় কৰক। ইজনে-সিজনক উৎসাহিত কৰিবলৈ আৰু সাক্ষ্য দিবলৈ লোৱা আঁচনিৰ বিষয়ে নিশ্চিত কৰক।

Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net